অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং: ২৬০
উত্তৰ দিয়া তাৰিখ: ১৩/০৭/২০২৬

**বিষয়ঃ কাটিগড়া বিধানসভা সমষ্টিতে RDSS সম্পর্কিত ।**

**শ্রীকমলাক্ষ দে পুরকায়স্থ,মাননীয় বিধায়ক।**

**মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :**

(ক) কাটিগড়া বিধানসভা সমষ্টিতে **RDSS** অতিরিক্ত গৃহস্থালী বিদ্যুতায়ন প্রকল্পের অধীনে বিদ্যুতায়ন কাজের অগ্রগতি অত্যন্ত ধীরগতিতে হওয়ার বিষয়ে সরকার অবগত কি ?

(খ) উক্ত প্রকল্প বাস্তবায়নের জন্য APDCL কর্তৃক কাটিগড়া সমষ্টিতে Enn Aar Poles এবং N K Power নামে দুইটি ঠিকাদারি সংস্থাকে নিযুক্তি করা হয়েছে কি ?

(গ)N K Power এর বরাদ্দাপ্রাপ্ত এলাকাগুলিতে প্রকল্প শুরু হলেও ডিস্ট্রিবিউশন ট্রান্সফরমার (DTR) আজ পর্যন্ত চার্জ করা হয়নি এ তথ্য সঠিক কি ? এবং আজ পর্যন্ত কতগুলি DTR স্থাপন ও কমিশনিং সম্পন্ন হয়েছে ?

(ঘ) কাটিগড়া সমষ্টির বহু গ্রামে বৈদ্যুতিক খুঁটি স্থাপন করা হলেও (HT/LT) লাইনের কাজ এখনও অসম্পূর্ণ থাকায় যোগ্য পরিবারগুলিকে বিদ্যুৎ সংযোগ প্রদানে বিলম্ব ঘটছে, এই সম্পর্কে সরকার অবগত কি ?

(ঙ) সরকার N K Power -এর কাজের অগ্রগতি পর্যালোচনা করে থাকলে বিলম্বের কারণসমূহ কি ? সরকার কি N K Power কে প্রদত্ত কার্যাদেশ (Work Order) বাতিল বা সংশোধন করে অবশিষ্ট বিদ্যুতায়ন কাজ অভিজ্ঞ ও সক্ষম কোনো সংস্থার নিকট অর্পনের বিষয় বিবেচনা করেছে ? বিস্তারিত তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি ।

(চ) কাটিগড়া বিধানসভা সমষ্টিতে RDSS অতিরিক্ত গৃহস্থালী বিদ্যুতায়ন প্রকল্পের কাজ নির্ধারিত সময়ের মধ্যে সম্পন্ন করার জন্য সরকার কি কি পদক্ষেপ গ্রহণ করেছে ? বিস্তারিত তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

**উত্তৰ:**
**মাননীয় মুখ্যমন্ত্ৰী, অসম চৰকাৰ (শক্তি বিভাগৰ মন্ত্ৰী) ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব:::**

(ক)কাছাৰ জিলাত RDSS (Additional Households) আঁচনিৰ অধীনত গৃহ বৈদ্যুতিকৰণৰ কামসমূহ M/s N.K. Power & Infrastructure Pvt. Ltd. আৰু M/s Enn Aar Poles নামৰ দুটা ঠিকাদাৰী প্ৰতিষ্ঠানৰ (Turnkey Contractor)দ্বাৰা ৰূপায়িত হৈ আছে। এই দুয়োটা ঠিকাদাৰী সংস্থাই কাটিগড়া বিধানসভা সমষ্টিৰ অধীনতো তেওঁলোকৰ কামসমূহ চলাই আছে। ক্ষেত্ৰভিত্তিক প্ৰতিবেদন অনুসৰি তেওঁলোকৰ সমগ্ৰ পেকেজৰ কামৰ ভিতৰত M/s Enn Aar Poles ৰ অগ্ৰগতি হৈছে ৬৯.৬৯% আৰু M/s N.K. Power & Infrastructure Pvt. Ltd. ৰ অগ্ৰগতি হৈছে ৩৮.০৫%। অৱশ্যে কাটিগড়া বিধানসভা সমষ্টিৰ অধীনৰ কামসমূহ সমাপন কৰাৰ ক্ষেত্ৰত M/s N.K. Power & Infrastructure Pvt. Ltd. -এ লেহেমীয়া হৈছে।

(খ) হয়। APDCL-এ কাটিগড়া সমষ্টিৰ নিৰ্ধাৰিত এলেকাসমূহত গৃহ বৈদ্যুতিকৰণৰ কামসমূহ ৰূপায়ণ কৰাৰ বাবে M/s N.K. Power & Infrastructure Pvt. Ltd. আৰু M/s Enn Aar Poles-ক ঠিকাদাৰ প্ৰতিষ্ঠান (Turnkey Contractor) হিচাপে নিযুক্ত কৰা হৈছে ।

(গ) হয়। এই কামৰ অধীনত M/s N.K. Power & Infrastructure Pvt. Ltd.-ৰ দ্বাৰা আজিৰ তাৰিখলৈ কোনো Distribution Transformer (DTR) স্থাপন আৰু কমিশনিং সম্পন্ন নোহোৱা তথ্যটো সঠিক ।

(ঘ) হয়, অৱগত আৰু সেয়েহে কাছাৰ জিলাৰ অন্তৰ্গত আবণ্টিত কামসমূহ ৰূপায়ণত বিলম্ব হোৱাৰ বাবে M/s N.K. Power & Infrastructure Pvt. Ltd.-ক বৰ্খাস্তৰ জাননি (Termination Notice) জাৰি কৰা হৈছে। শেহতীয়া শুনানিত M/s N.K. Power & Infrastructure Pvt. Ltd.-এ এটা PERT Chart (Program Evaluation and Review Technique) দাখিল কৰিছে য'ত তেওঁলোকে পোতা খুঁটাবোৰত পৰ্যায়ক্ৰমে কেব'ল (cables) আৰু পৰিবাহী (conductors) সংযোগ কৰি সময়সীমাৰ ভিতৰত কামসমূহ সম্পূৰ্ণ কৰাৰ আশ্বাস প্ৰদান কৰিছে। এই PERT Chart -ৰ সময়সীমাৰ ভিতৰত কাম সমাপন নহ'লে

প্ৰতিষ্ঠানটোক কৰ্মাদেশ (Letter of Award) -ৰ চৰ্তাৱলী (Terms & Conditions) অনুসৰি বৰ্খাস্ত কৰা হ'ব।

(ঙ) M/s N.K. Power & Infrastructure Pvt. Ltd. -ৰ কামসমূহৰ ৰূপায়নত বিলম্ব হোৱাৰ মূল কাৰণ হৈছে বিতৰণ ট্ৰান্সফৰ্মাৰ (DTRs), কেব'ল (Cables), পৰিবাহী (Conductors), ছাৰ্ভিচ কিট (Service Kit) আদিৰ দৰে প্ৰয়োজনীয় সামগ্ৰীৰ পৰ্যাপ্ত পৰিমাণত সময়মতে যোগান ধৰিব নোৱাৰা আৰু ইয়াৰ লগতে শ্ৰমশক্তিৰ অভাৱ। কামৰ মন্থৰ গতিৰ বাবে M/s N.K. Power & Infrastructure Pvt. Ltd -ক বৰ্খাস্তৰ জাননী (Termination notice) জাৰি কৰা হৈছে। বৰ্খাস্তৰ জাননীৰ প্ৰক্ৰিয়া অনুসৰিM/s N.K. Power & Infrastructure Pvt. Ltd -ক চূড়ান্ত শুনানীৰ বাবে মাতি অনা হৈছিল। সেই শুনানীতM/s N.K. Power & Infrastructure Pvt. Ltd -এ বাকী থকা সামগ্ৰীসমূহ যোগান ধৰাৰ লগতে ছেপ্টেম্বৰ, ২০২৬ ৰ ভিতৰত কাছাৰ জিলাৰ আৱন্টিত কামসমূহ সম্পূৰ্ণ কৰাৰ আশ্বাস প্ৰদান কৰিছে। বৰ্খাস্তকৰণৰ এই প্ৰক্ৰিয়াটো বৰ্তমানো চলি আছে আৰু চুক্তিৰ চৰ্তাৱলী (T&C) অনুসৰি ইয়াক আগবঢ়াই নিয়া হ'ব।

(চ) ভাৰত চৰকাৰে RDSS আঁচনিৰ অধীনৰ কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে অতিৰিক্ত সময়সীমা মাৰ্চ' ২০২৬ ৰ পৰা মাৰ্চ' ২০২৮ লৈ বৃদ্ধি কৰিছে। অৱশ্যে বিভাগৰ তৰফৰ পৰা এই বৰ্ধিত সময় সীমাৰ বহু আগেয়ে এই আঁচনিৰ কামসমূহ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। নিৰ্ধাৰিত সময়ত RDSS (Additional Households) আঁচনিৰ কামসমূহ সম্পূৰ্ণ কৰিবলৈ তলত উল্লেখ কৰা পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছে:

i) কাম আবণ্টন দিয়া ঠিকাদাৰী প্ৰতিষ্ঠানৰ (Turnkey Contractor) কাম-কাজ প্ৰতি দহ (১০) দিনৰ অন্তৰে অন্তৰে পৰ্যালোচনা কৰি থকা হৈছে । এই পৰ্যালোচনাৰ সময়ত Right of Way বিষয়ৰ লগতে ক্ষেত্ৰভিত্তিক অন্যান্য বিষয় সমূহৰ উপৰিও কাৰ্য ৰূপায়ণৰ বিস্তৃত আলোচনা কৰা হৈছে।

ii) কৰ্মসম্পাদনত লেহেমীয়া হোৱা ঠিকাদাৰী প্ৰতিষ্ঠানক লেহেমীয়া কামৰ জাননীৰ লগতে প্ৰাক-বৰ্খাস্তৰ জাননী জাৰি কৰা হৈছে আৰু কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। এই জাননীসমূহৰ দ্বাৰা ঠিকাদাৰসকলক শীঘ্ৰে কাম সমাপন কৰাৰ বাবে হেঁচা প্ৰদান কৰা হৈছে।

iii) তদুপৰি চুক্তিৰ সময়সীমাৰ ভিতৰত কাম সমাপনত বিফল হোৱা ঠিকাদাৰৰ বিলত বিভাগীয় নিয়ম অনুসৰি Liquidated Damage (LD Charge) আৰোপ কৰা হয় যাতে কামখিনি নিৰ্ধাৰিত মূল্য আৰু নিৰ্ধাৰিত সময়ত সম্পন্ন হয়।

******

**বিঃদ্ৰঃ- উক্ত প্ৰশ্নোত্তৰ সমূহ www.NeVA.gov.in পোৰ্টেলত উপলব্ধ কৰা হৈছে।**